জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ৩৯১/২০২১*

# ২০২১ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা প্ৰাপক অনুৰাধা শৰ্মা পূজাৰী আৰু মোদাই গাহাইলৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন

## ২০২১ বৰ্ষৰ বাল সাহিত্য পুৰস্কাৰ প্ৰাপক মৃণাল চন্দ্ৰ কলিতা আৰু ৰত্নেশ্বৰ নাৰ্জাৰী তথা সাহিত্য অকাডেমি যুৱ পুৰস্কাৰ প্ৰাপক অভিজিত বৰা আৰু গৌতম দৈমাৰীলৈও অভিনন্দন জ্ঞাপন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** অসমীয়া আৰু বড়ো সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে ২০২১ বৰ্ষৰ সন্মানীয় সাহিত্য অকাডেমি বঁটা অৰ্জনেৰে অসমবাসীক গৌৰৱান্বিত কৰা জনপ্ৰিয় ঔপন্যাসিকা, সাংবাদিক, সম্পাদক অনুৰাধা শৰ্মা পূজাৰী আৰু বড়ো ভাষাৰ বিশিষ্ট কবি মোদাই গাহাইলৈ অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে লগতে এই বছৰৰ সাহিত্য অকাডেমিৰ 'বাল সাহিত্য পুৰস্কাৰ' প্ৰাপক মৃণাল চন্দ্ৰ কলিতা (অসমীয়া) আৰু ৰত্নেশ্বৰ নাৰ্জাৰী (বড়ো) তথা সাহিত্য অকাডেমি যুৱ পুৰস্কাৰ প্ৰাপক অভিজিত বৰা (অসমীয়া) আৰু গৌতম দৈমাৰী (বড়ো)লৈও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

আজি এক শুভেচ্ছা বাৰ্তাযোগে মুখ্যমন্ত্ৰীয়ে কয় যে একেলগে ছগৰাকীকৈ বিশিষ্ট সাহিত্যিকে দেশৰ সাহিত্য জগতৰ অন্যতম সন্মানীয় স্বীকৃতি সাহিত্য অকাডেমি বঁটা অৰ্জন কৰি সমগ্ৰ অসমবাসীক গৌৰৱান্বিত কৰিছে। বঁটা প্ৰাপক কেউগৰাকী সাহিত্যিকে নিজৰ সৃষ্টিৰাজিৰে পাঠকসমাজক আপ্লুত কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকৰ এই সাফল্যই ৰাজ্যৰ বৌদ্ধিক ক্ষেত্ৰখনলৈ উৎসাহৰ ঢল বোৱাই অনাৰ লগতে অনুজ সাহিত্যসেৱীসকলকো ন-উদ্যমেৰে সাহিত্য চৰ্চাত ব্ৰতী হ'বলৈ অনুপ্ৰাণিত কৰিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, মোদাই গাহাই, মৃণাল কলিতা, ৰত্নেশ্বৰ নাৰ্জাৰী, অভিজিত বৰা আৰু গৌতম দৈমাৰীৰ সু-স্বাস্থ্য কামনা কৰাৰ লগতে আগত সময়তো তেওঁলোকে নিজৰ সৃষ্টিৰাজিৰে ৰাজ্যৰ সাহিত্য ক্ষেত্ৰখনক সমৃদ্ধ কৰি যাব বুলি আশা প্ৰকাশ কৰে।

***প্ৰঃকুঃবঃ***
**৩০-১২-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in